# 2022

## ASSAMESE

Paper : ASM–HE–6046

**( Asomiya Bhasha-Upabhasha )**

( Honours Elective )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। উত্তৰ লিখা (যি কোনো দহটা) : ১×১০=১০

(ক) Dialect শব্দটো কোনটো ভাষাৰ পৰা আহিছে?

(খ) ড০ বাণীকান্ত কাকতিয়ে অসমীয়া ভাষাৰ উপভাষাক কেইটা ভাগত ভাগ কৰিছে?

(গ) *A Study on Kamrupi : A Dialect of Assamese* পুথিখনৰ লেখক কোন?

(ঘ) "ভাষা আৰু উপভাষা শব্দ দুটা পৰ্বত আৰু পাহাৰৰ দৰে।" কথাষাৰ কোনে কৈছিল?

(ঙ) কোনটো অসমীয়া উপভাষাক 'দেশী ভাষা' বুলি কোৱা হয়?

(চ) কামৰূপী উপভাষাত 'শ্বাসাঘাত' শব্দৰ কোনটো স্থানত পৰে?

(ছ) অসমীয়া কোনটো উপভাষাত পশ্চতালব্য ঘৃষ্ট স/ষ ধ্বনিৰ প্ৰয়োগ সমূলি নাই?

(জ) অসমৰ কোনটো জনজাতিৰ ভাষাক সাদৰি বুলি কোৱা হয়?

(ঝ) 'ৰামনৱমী' নাটকখন কোন চনত প্ৰকাশ হৈছিল?

(ঞ) শীলভদ্ৰৰ প্ৰকৃত নাম কি?

(ট) কোনখন গল্পপুথিৰ বাবে সৌৰভ কুমাৰ চলিহাই সাহিত্য অকাডেমী বঁটা লাভ কৰিছিল?

(ঠ) 'সহযাত্ৰী' গল্পটোত কোনটো অঞ্চলৰ উপভাষা প্ৰতিফলিত হৈছে?

(ড) সুৰেন্দ্ৰনাথ মেধি—কোনগৰাকী বিখ্যাত অসমীয়া গল্পকাৰৰ প্ৰকৃত নাম?

(ঢ) "কিনো হৃচি?" 'ৰামনৱমী' নাটকত থকা এই সংলাপটোৰ মান্য অসমীয়া ৰূপ কি?

(ণ) 'অশান্ত ইলেকট্ৰন' কাৰ ৰচনা?

২। যি কোনো পাঁচটাৰ চমু উত্তৰ লিখা : ২×৫=১০

(ক) অসমৰ কোন অঞ্চলৰ উপভাষাক মধ্য অসমৰ উপভাষা বোলা হয়?

(খ) গোৱালপৰীয়া উপভাষাৰ দুটা আঞ্চলিক ৰূপৰ নাম লিখা।

(গ) কামৰূপী উপভাষাৰ সৰ্বনামৰ বহুবচন বুজোৱা যি কোনো দুটা ৰূপ লিখা।





(ঘ) গোৱালপৰীয়া উপভাষাৰ যি কোনো দুটা স্ত্ৰীলিংগবাচক শব্দ লিখা।

(ঙ) কামৰূপী উপভাষাত বিশিষ্ট স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনি কেইটা?

(চ) শীলভদ্ৰৰ দুখন গল্পপুথিৰ নাম লিখা।

(ছ) যি কোনো দুটা সামাজিক উপভাষাৰ নাম লিখা।

(জ) নৃগোষ্ঠীয় উপভাষাৰ দুটা বৈশিষ্ট্য লিখা।

৩। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) সামাজিক উপভাষা বুলিলে কি বুজা? উদাহৰণসহ আলোচনা কৰা।

(খ) অসমীয়া ভাষাৰ উজনি অঞ্চলৰ উপভাষাৰ বিষয়ে আলোচনা কৰা।

(গ) অসমীয়া ভাষাৰ যি কোনো এটা নৃগোষ্ঠীয় উপভাষাৰ চমু পৰিচয় দিয়া।

(ঘ) আঞ্চলিক উপভাষা বুলিলে কি বুজা, উদাহৰণসহ আলোচনা কৰা।

(ঙ) মান্য ভাষা এটাই উপভাষাৰ ৰূপ লব পাৰে নেকি? যদি পাৰে তেন্তে উদাহৰণসহ আলোচনা কৰা।

(চ) উপভাষাৰ প্ৰয়োগে সৃজনীশীল সাহিত্যক কেনেধৰণৰ মৰ্যাদা প্ৰদান কৰে, আলোচনা কৰা।

(ছ) 'সহযাত্ৰী' গল্পটোত প্ৰয়োগ হোৱা লোকভাষাটোৱে গল্পটোৰ কাহিনীভাগক কেনেদৰে জীৱন্ত কৰি তুলিছে, আলোচনা কৰা।

(জ) গুণাভিৰাম বৰুৱাৰ সাহিত্যকৃতি সম্পৰ্কে এটি টোকা যুগুত কৰা।

৪। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) উপভাষা সৃষ্টিৰ অন্তৰালত কেনেধৰণৰ কাৰক জড়িত হৈ আছে, আলোচনা কৰা।

(খ) উপভাষা অধ্যয়ন হোৱাটো কিয় প্ৰয়োজনীয়? অসমীয়া ভাষাৰ উপভাষাৰ আধাৰত আলোচনা কৰা।

(গ) গোৱালপৰীয়া উপভাষাক কোনবোৰ বৈশিষ্ট্যই এটা সুকীয়া উপভাষাৰূপে প্ৰতিপন্ন কৰিছে, আলোচনা কৰা।

(ঘ) উপভাষাৰ সংজ্ঞা উল্লেখ কৰি অসমীয়া উপভাষাৰ পৰিচয় দিয়া।

(ঙ) কামৰূপী উপভাষা আৰু মান্য অসমীয়া ভাষাৰ সাদৃশ্য-বৈসাদৃশ্যসমূহ উদাহৰণসহ লিখা।

(চ) সামাজিক উপভাষা সৃষ্টিৰ কাৰণবোৰ কি কি, আলোচনা কৰা।

(ছ) মান্যভাষা বুলিলে কি বুজা? উপভাষা এটাই কেনে পৰিবেশত মান্যভাষাৰ ৰূপ লয়, আলোচনা কৰা।

(জ) 'ৰামনৱমী' নাটৰ পঞ্চম অংকৰ দ্বিতীয় দৰ্শনৰ ভাষা সম্পৰ্কে আলোচনা কৰা।

(ঝ) 'হাঁহিচম্পা' গল্পটোত কোন অঞ্চলৰ উপভাষাৰ প্ৰভাৱ পৰিছে? উপভাষাটোৰ বৈশিষ্ট্য সম্পৰ্কে গল্পটোৰ আধাৰত লিখা।

(ঞ) কামৰূপী উপভাষাৰ আঞ্চলিক ৰূপসমূহৰ বিষয়ে পৰিচয় দিয়া।

★★★